# 2019

## ASSAMESE

## ( Major )

Paper : 5.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ৰসবাদৰ মুখ্য প্ৰৱক্তা কোন ?

(খ) কাব্যৰ ক্ষেত্ৰত ৰস অপৰিহাৰ্য বুলি কোনে প্ৰথমে প্ৰকাশ কৰিছিল ?

(গ) ‘‘সকলো মহৎ সাহিত্যই ধ্ৰুপদী সাহিত্য।’’ কথাষাৰ শুদ্ধনে ?

(ঘ) অসমীয়া ভাষাত ৰমণ্যাসবাদ শব্দটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল ?

(ঙ) ‘‘উৎকৃষ্ট শব্দৰ সুবিন্যাসেই কবিতা।’’ কোনে কৈছিল ?

(চ) নাটক শব্দটোৰ মূল কি ?

(ছ) উপন্যাসক ‘পকেট থিয়েটাৰ’ বুলি কোনে মন্তব্য কৰিছিল ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ৰস সম্পৰ্কে দিয়া ভৰতৰ সূত্ৰটো কি ?

(খ) ধ্ৰুপদী সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(গ) চৰিত্ৰপ্ৰধান নাটক কাক বোলে ? এখন উদাহৰণ দিয়া।

(ঘ) চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

৩। (ক) ভৰতৰ মতে ৰস কেইটা আৰু কি কি? প্ৰতিটো ৰসৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱ কাক বোলে, বহলাই লিখা। সঞ্চাৰী ভাৱক কিয় ব্যভিচাৰী ভাৱ বুলি কোৱা হয় ? ৩+৩+৩+১=১০

৪। (ক) আধুনিকতাবাদ বুলিলে কি বুজা? ৰমণ্যাসবাদৰ লগত আধুনিকতাবাদৰ পাৰ্থক্য বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

*অথবা*

(খ) কাহিনীগীত বা মালিতা কাক বোলে ? ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা। ২+৮=১০

৫। (ক) এৰিষ্ট'টলে দিয়া ট্ৰেজেদীৰ সংজ্ঞাটো উল্লেখ কৰি ট্ৰেজেদীৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) যি কোনো এটি অসমীয়া চুটিগল্পৰ আধাৰত চুটিগল্পৰ ইংগিতময়তা সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱা। ১০

৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) স্থায়ীভাৱ

(খ) ধ্রুৱবাদ

(গ) মহাকাব্য

(ঘ) নাটকীয় ঐক্য

(ঙ) উপন্যাস আৰু চুটিগল্পৰ পাৰ্থক্য

(চ) অসমীয়া জীৱনীমূলক উপন্যাস

★★★